জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৯২/২০২০

# ডিব্ৰুগড়ৰ লেপেটকটাত সংঘটিত হোৱা পথ দুৰ্ঘটনাত নিহতসকলৰ প্ৰতি মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৭ নৱেম্বৰ ঃ** ডিব্ৰুগড়ৰ লেপেটকটাত সংঘটিত হোৱা পথ দুৰ্ঘটনাত কেইবাগৰাকীও বিৱাহ যাত্ৰী নিহত হোৱা ঘটনাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই ঘটনা অত্যন্ত দুৰ্ভাগ্যজনক আৰু দুখঃদায়ক। মুখ্যমন্ত্ৰীয়ে নিহত ব্যক্তি কেইগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে জিলা উপায়ুক্তক এই দুৰ্ঘটনাত আহতসকলৰ বাবে উপযুক্ত চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে।

**বঃভাঃ / পুঃডেঃ**
**২৭/১১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in